যেতিয়া তোমালোকৰ মাজৰ কোনোবাই মছজিদত প্ৰৱেশ কৰে, তেতিয়া তেওঁ বহাৰ আগতে দুই ৰাকাত নামাজ পঢ়ি লোৱা উচিত।

আবু ক্বাতাদাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যেতিয়া তোমালোকৰ মাজৰ কোনোবাই মছজিদত প্ৰৱেশ কৰে, তেতিয়া তেওঁ বহাৰ আগতে দুই ৰাকাত নামাজ পঢ়ি লোৱা উচিত। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

আপুনি মছজিদলৈ যি সময়তে আৰু যি উদ্দেশ্যেই নাহক কিয়, বহাৰ আগত দুই ৰাকাত নামাজ পঢ়িবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উৎসাহিত কৰিছে। সেই দুই ৰাকাত নামাজকে তাহয়াতুল মাছজিদ বোলে।

http://www.sunnah.global/hadeeth/as/show/65091